# উত্তৰ-পূৰ্বাঞ্চলত বিদ্যা বিস্তাৰ আঁচনি মুকলি

আমাৰ খবৰ, পাটাছাৰকুছি, ২৬ এপ্ৰিলঃ উত্তৰ-পূৰ্বাঞ্চলৰ তিনিখন মহাবিদ্যালয় ক্ৰমে— বজালী জিলাৰ অন্তৰ্গত বাঘমাৰাৰ নৰ্থ কামৰূপ কলেজ, অৰুণাচল প্ৰদেশৰ দৰ্জী খাণ্ডু কলেজ আৰু ছিকিমৰ নৰ বাহাদুৰ বান্ধাৰী চৰকাৰী মহাবিদ্যালয়ৰ সৈতে দিল্লী বিশ্ববিদ্যালয়ৰ অধীন হিন্দু কলেজৰ বিদ্যা বিস্তাৰ আঁচনিৰ আনুষ্ঠানিক শুভাৰম্ভ অনলাইনযোগে কালি সফলভাৱে ৰূপায়িত হৈ যায়। আঁচনিখন আনুষ্ঠানিকভাৱে মুকলি কৰে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে। উদ্বোধনী ভাষণত তেওঁ এই আঁচনিৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ তিনিখন মহাবিদ্যালয়ৰ জৰিয়তে বিদ্যাৰ্থী সমাজ বিশেষভাৱে উপকৃত হ'ব বুলি মত পোষণ কৰে। অনুষ্ঠানত হিন্দু কলেজৰ বিদ্যা বিস্তাৰ আঁচনিৰ দায়িত্ববাহী বিষয়া ড° অনন্যা বৰুৱাই আঁচনিৰ লক্ষ্য, উদ্দেশ্যে আৰু দৃষ্টিভংগী সম্পৰ্কে তাৎপৰ্যপূৰ্ণ বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত দিল্লী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, নৰ্থ কামৰূপ কলেজৰ অধ্যক্ষ ড° জ্যোতিৰাজ পাঠক, হিন্দু কলেজৰ অধ্যক্ষ অধ্যাপক অঞ্জু শ্ৰীবাস্তৱ, দৰ্জী খাণ্ডু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° য়েছি গেছেন, নৰ বাহাদুৰ ভাণ্ডাৰী চৰকাৰী মহাবিদ্যালয় অধ্যক্ষ ড° ডি পুৰোহিতে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অনুষ্ঠানত ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থী উপস্থিত থাকে। উত্তৰ-পূৰ্বাঞ্চলৰ মহাবিদ্যালয়ৰ সৈতে হিন্দু কলেজৰ এই প্ৰথম প্ৰচেষ্টাই বিদ্যায়তনিক দিশত বিশেষ অৱদান আগবঢ়াব বুলি বিদ্বৎমহলে মন্তব্য আগবঢ়ায়।